স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

# নিয়মীয়া বাৰ্তা

OL-14 □ NO-242 □ FRIDAY 8 NOVEMBER 2024 (ডিব্ৰুগড় সংস্কৰণ/DIBR

### ৰাষ্ট্ৰসংঘৰ দক্ষিণ কোৰিয়াৰ আন্তঃৰাষ্ট্ৰীয় সন্মিলন

## ড° শশীকান্ত শইকীয়াক আমন্ত্ৰণ

বিশেষ বাৰ্তা, ডিব্ৰুগড়, ৭ নৱেম্বৰ ঃ ঐতিহাসিক ডিব্ৰুগড় সাহিত্য সভাৰ সভাপতি, ঐতিহ্যপূৰ্ণ ডিব্ৰুগড় হনুমান বক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াক দক্ষিণ কোৰিয়াৰ বুচনত ২৫ নৱেম্বৰৰ পৰা ১ ডিচেম্বৰলৈ অনুষ্ঠিত হ'ব লগা ৰাষ্ট্ৰসংঘৰ আন্তঃৰাষ্ট্ৰীয় সন্মিলন (আই এন চি-৫) লৈ আমন্ত্ৰিত হৈছে। ইউ এন ই পিৰ এই সন্মিলনলৈ ড° শইকীয়াক মনোনীত কৰিছে ৰাষ্ট্ৰসংঘৰ ভাৰত বৰ্ষত থকা একমাত্ৰ উত্তৰ-পূব সম্পদ কেন্দ্ৰ আৰু গুৱাহাটীস্থ ইউনেস্ক' এছ'চিয়েচনে। এই সন্মিলনত ৰাষ্ট্ৰসংঘৰ সম্পদ কেন্দ্ৰ, ইউনেস্ক'ৰ তৰফৰ পৰা ভাৰতৰ হৈ পাঁচজন ব্যক্তিয়ে প্ৰতিনিধিত্ব কৰাৰ কথা। এইসকলৰ ভিতৰত ড° শশীকান্ত শইকীয়াও অন্যতম। এই সন্মিলনত প্লাষ্টিকে সমগ্ৰ বিশ্বত কেনেদৰে প্ৰদূষণ সৃষ্টি কৰি আহিছে আৰু প্লাষ্টিকৰ ব্যৱহাৰ আৰু নিষিদ্ধকৰণ, প্ৰতিকাৰ সম্পৰ্কত গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰিব বুলি জানিব পৰা গৈছে। ৰাষ্ট্ৰসংঘৰ উত্তৰ-পূব সম্পদ কেন্দ্ৰৰ কাৰ্যবাহী সঞ্চালকৰ দায়িত্বত থকা ড° অশ্বিনী শৰ্মাই জনোৱা মতে, এই সন্মিলনত পৃথিবীৰ দেশসমূহৰ নেতৃত্ব অথবা তেওঁলোকৰ প্ৰতিনিধিৰ লগতে আটাইবোৰ দেশৰ প্ৰতিনিধিয়ে অংশ গ্ৰহণ কৰিব। উল্লেখ্য যে সামাজিক, সাংস্কৃতিক, শৈক্ষিক ক্ষেত্ৰখনৰ উত্তৰণৰ হকে একেৰাহে লাগি থকা ড° শইকীয়া বৰ্তমান ৰাষ্ট্ৰসংঘৰ উত্তৰ-পূব সম্পদ কেন্দ্ৰৰ যোগাযোগ আৰু শিক্ষা বিভাগৰ এগৰাকী সন্মানীয় 'পেনেলিষ্ট' আৰু এক নং মণ্ডলৰ সমন্বয়কৰ দায়িত্বও নিষ্ঠা সহকাৰে পালন কৰি আছে।

## উদ্যানত ব

নিয়মীয়া বাৰ্তা, তিতাবৰ, ৭ নৱেম্বৰ ঃ তি
কুৰী গাঁৱৰ অগ্ৰণী সাংস্কৃতিক বিকাশ
জিলা ঠেংগাল কছাৰী ছাত্ৰ সন্থা, ঠে
সাহিত্য সাংস্কৃতি সভাৰ উদ্যোগত আৰু
সহযোগত সুধাকণ্ঠ ড° ভূপেন হাজৰিকা
শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত হৈ যায়।
আলি ধলি কৃষ্ণচূড়া উদ্যানত অনুষ্ঠি
অনুষ্ঠানৰ আৰম্ভণিতে বন্তি প্ৰজ্বলন কৰে
গাঁৱৰ নৰাগত মইনা পাৰিজাতৰ উপ
বড়াই। অনুষ্ঠানত আমন্ত্ৰিত অতিথি হি
থাকে ঠেংগাল কছাৰী স্বায়ত্তশাসিত প
লক্ষেশ্বৰ হাজৰিকা, যোৰহাট কলে
বিভাগৰ প্ৰবক্তা তৰুণ লহং, ঠে
স্বায়ত্তশাসিত পৰিষদৰ কাৰ্যবাহী সদস
বড়া, সদৌ অসম ঠেংগাল কছাৰী ছাত্ৰ